**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-10-2025
**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

০০০০০০০০০

১। চাহ জনগোষ্ঠীৰ শৈক্ষিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক উত্তৰণৰ দিশত চাহ জনজাতি সংগঠনৰ ভূমিকা অপৰিসীম বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। জুবিন গাৰ্গৰ মৃত্যুৰ আজি এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত মাঙ্গলিক কাৰ্যসূচী।

৩। জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে জনসাধাৰণৰ পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু দীপাৱলী উদযাপনৰ প্ৰস্তুতি।

৪। ৰে'লসেৱাক অধিক জনমুখী কৰি তোলাৰ লক্ষ্যৰে আজি কেইবাগৰাকী সচেতন নাগৰিকৰ অসমৰ ৰে'লযাত্ৰীসকলে সন্মুখীন হোৱা সমস্যা সন্দৰ্ভত মুকলি আলোচনা। ***আৰু***

৫। পাৰ্থত অনুষ্ঠিত ৩ খনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াৰ ৭ উইকেটত জয়লাভ।

০০০০০০০০০

যোৰহাট জিলাৰ মৰিয়নি মহাবিদ্যালয় খেলপথাৰত আজিৰে পৰা ৩ দিনীয়াকৈ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ২৯ সংখ্যক দ্বিবাৰ্ষিক অধিবেশন আৰু অসম চাহ জনজাতি মহিলা সমিতিৰ কেন্দ্ৰীয় দ্বিবাৰ্ষিক সাধাৰণ অধিবেশন অনুষ্ঠিত হৈছে। অধিবেশনৰ মুকলি সভাত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। ডঃ শৰ্মাই তেওঁৰ ভাষণত কয় যে অসমৰ জাতীয় জীৱনৰ অন্যতম শক্তিশালী সংগঠন অসম চাহ জনজাতি ছাত্ৰ সন্থাই প্ৰতিষ্ঠা কালৰে পৰা চাহ জনগোষ্ঠী লোকসকলৰ নাহ্য প্ৰাপ্তিৰ দাবীৰে সংগ্ৰাম কৰি আহিছে। ছাত্ৰ সন্থাই জনগোষ্ঠীটোক শৈক্ষিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিকভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অবিৰতভাৱে চেষ্টা কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ দুয়োটা সংগঠনকে চাহ জনগোষ্ঠীৰ উত্তৰণৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰী শৰ্মাই অসম বিধানসভাত অহা ২৫ নৱেম্বৰত চাহ জনজাতিৰ লোকসকলৰ সুবিধাৰ্থে এখন বিধেয়ক উত্থাপন কৰা হ'ব বুলি উল্লেখ কৰি কয় যে, এই বিধেয়কৰ জৰিয়তে চাহ বাগিছাৰ মালিকৰ পৰা লাইনৰ মাটি চাহ শ্ৰমিকক দিয়াৰ ব্যৱস্থা কৰা হ'ব। অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ বাগিছাৰ শিক্ষাৰ্থীসকলৰ বাবে ৪ খনকৈ আসন সংৰক্ষণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

ডঃ শৰ্মাই অহা বছৰৰ জানুৱাৰীত চাহ বাগিছা অঞ্চলত এশ খন নতুন হাইস্কুল স্থাপন কৰা হ'ব বুলিও প্ৰকাশ কৰে। বিগত ৭৫ বছৰত চাহ বাগিছা অঞ্চলসমূহত প্ৰাথমিক বিদ্যালয়ৰ বাহিৰে, উচ্চ মাধ্যমিক বা উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন হোৱা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপি চৰকাৰৰ পৃষ্ঠপোষকতাত শেহতীয়াকৈ এনে অঞ্চলসমূহত ১১৫ খন এনে বিদ্যালয় স্থাপন কৰা হৈছে।

০০০০০০০০০

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ আজি এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত মাঙ্গলিক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। শিল্পীগৰাকীৰ সোণাপুৰৰ কমাৰকুছিৰ সমাধিক্ষেত্ৰত আজি ডিমৰীয়াবাসী ৰাইজে গীতা পাঠ,

সংকীৰ্তন, সৰ্বধৰ্ম প্ৰাৰ্থনাৰ লগতে এশগৰাকী নামতী দলে নাম-প্ৰসংগ আৰু এশগৰাকী বাঁহীবাদকে শ্ৰদ্ধাঞ্জলি জনায়। নিশালৈ ভাওনা পৰিবেশনৰ ব্যৱস্থা কৰা হৈছে। বৃহত্তৰ বৰপেটা সমাজ, গুৱাহাটীৰ উদ্যোগত লতাশিল খেলপথাৰত জুবিন গাৰ্গৰ মৃত্যুৰ এমাহ উপলক্ষে ১২ ঘণ্টীয়া অখণ্ড থিয় নাম পৰিবেশন কৰা হয়। গুৱাহাটী মহানগৰীৰ কাহিলীপাৰাৰ ফৰেনচিক বিজ্ঞানাগাৰৰ খেলপথাৰত জুবিন গাৰ্গৰ স্মৃতিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীতে ভাস্কৰ্য শিল্পী নুৰুদ্দিন আহমেদে নিৰ্মাণ কৰা শিল্পীগৰাকীৰ ১০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰা হয়।

জুবিন গাৰ্গৰ বিয়োগৰ এমাহ উপলক্ষে আজি ওদালগুৰি জিলাত দাপোন দা মিৰৰ, টংলা আৰু টংলা জুবিন গাৰ্গ ফেন ক্লাবৰ সহযোগত শ্ৰদ্ধাঞ্জলি তথা স্মৃতিসৌধ উন্মোচন অনুষ্ঠানৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি পুৰা শিল্পীগৰাকীৰ চিতাভস্ম কুলশী নৈত বৈদিক নীতি-নিয়মেৰে বিসৰ্জন দিয়া হয়।

গোৱালপাৰা জিলাত বিজেপিৰ জিলা কাৰ্যালয়ত শিল্পীগৰাকীক লৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। বঙাইগাওঁ জিলাৰ সন্যাসী পাহাৰত শিল্পী জুবিন গাৰ্গৰ স্মৃতিত এটা সাংস্কৃতিক কলাক্ষেত্ৰ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে আজি সাংবাদিকৰ আগত এইকথা প্ৰকাশ কৰি কয় যে এই সাংস্কৃতিক কলাক্ষেত্ৰত শিল্পীগৰাকীৰ ১৫ ফুট ওখ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ উপৰি ইয়াক কলা সংস্কৃতিৰ চৰ্চাকেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। প্ৰায় ১০ কোটি টকা ব্যসাপেক্ষে নিৰ্মাণ কৰিবলৈ লোৱা এই সাংস্কৃতিক কলাক্ষেত্ৰৰ বাবে স্থানীয় ৰাইজেও দান বৰঙণি আগবঢ়াব বুলি তেওঁ উল্লেখ কৰে।

**বাইট ঃ ফণীভূষণ চৌধুৰী**

তামুলপুৰ জিলাৰ কুমাৰিকাটাত চাৰিখন গাঁওৰ ৰাইজে মিলি জুবিন গাৰ্গৰ স্মৃতিত এহেজাৰ ছুশ গছপুলি ৰোপণ কৰে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে জিলাখনৰ ঘগ্ৰাচুকত জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি দিনযোৱা অনশন কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থা, গৰিয়া মৰিয়া দেশীয় জাতীয় পৰিষদ আৰু কোচ ৰাজবংশী ছাত্ৰ সন্থাই অংশগ্ৰহণ কৰে।

মৰিগাওঁ জিলাৰ বঙালধৰাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অৱস্থিত বঙালধৰা তিনিআলিতো আজি **জুবিন চ'ক** নামেৰে নামকৰণ কৰা হয়। ধৰমতুল আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া যুগান্ত মেধীয়ে **জুবিন চ'কৰ** নাম ফলকখন ফিটা কাটি উদ্বোধন কৰে। কাচাৰ জিলাৰ বিভিন্ন স্থানতো শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। নিষ্ঠা সংগীত প্ৰতিষ্ঠানৰ উদ্যোগত বদৰপুৰ ঘাটত **মৰমৰ জুবিন দা** শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

মাজুলীৰ মুদৈবিল বৰনামঘৰত আজি দিনযোৱা কাৰ্যসূচীৰে জুবিন গাৰ্গৰ মাহেকীয়া তিথি পালন কৰা হয়। বিশ্বনাথ জিলাৰ গহপুৰত অভিনেতা ৰবী শৰ্মাই শিল্পীগৰাকীৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। এই কাৰ্যসূচীটো অৰণ্য মানৱ হিচাপে খ্যাত যাদৱ পায়েঙে গছপুলি ৰোপণ কৰে। হোজাই জিলাৰ ২ নম্বৰ কাকি চাৰিআলিৰ সমীপত জুবিন গাৰ্গৰ এঘাৰ ফুট উচ্চতাৰ এটা পূৰ্ণাংগ প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। অনুষ্ঠানত জাতি ধৰ্ম নিৰ্বিশেষে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

ইপিনে, জুবিন গাৰ্গৰ মৃত্যুত বলিউদকে ধৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰ শিল্পী তথা জনসাধাৰণে প্ৰতিক্ৰিয়া ব্যক্তি কৰিছে। শিল্পীগৰাকীৰ অনন্য প্ৰতিভাৰ কথা উল্লেখ কৰি বলিউদৰ কণ্ঠশিল্পী তথা সংগীত পৰিচালক বিশাল দাদলানীয়ে জুবিন গাৰ্গৰ প্ৰতিভা চিনি পোৱাত বলিউদ ব্যৰ্থ হোৱা বুলি প্ৰকাশ কৰে। কাইলৈ ইটানগৰত হ'বলগীয়া এটা অনুষ্ঠানত তেওঁ জুবিন গাৰ্গৰ নামত এটি গীত গাব বুলিও প্ৰকাশ কৰে।

বাইট ঃ দাদলানি

০০০০০০০০০

অসমে বাল্য বিবাহ হ্ৰাস কৰাত দেশৰ ভিতৰতে শীৰ্ষস্থান লাভ কৰিছে। ৰাজ্যৰ কন্যা শিশুসকলৰ মাজত ৮৪ শতাংশ আৰু ল'ৰা শিশুসকলৰ মাজত ৯১ শতাংশ বাল্যবিবাহ হ্ৰাস পাইছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সূত্ৰই এই বিষয়ে প্ৰকাশ কৰিছে। সূত্ৰটোৱে প্ৰকাশ কৰা মতে মহাৰাষ্ট্ৰ আৰু বিহাৰত ৭০ শতাংশকৈ, ৰাজস্থানত ৬৬ শতাংশ আৰু কৰ্ণাটকত ৫৫ শতাংশ বাল্যবিবাহ হ্ৰাস পোৱা বুলি সমীক্ষাত প্ৰকাশ পাইছে।

000000000

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে ৰাজ্যৰ জনসাধাৰণে পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদযাপনৰ বাবে সাজু হৈছে। অৱশ্যে এইবাৰ ৰাইজৰ মাজত উৎসৱৰ পূৰ্বৰ আনন্দমুখৰ পৰিৱেশে বিৰাজ কৰা নাই। এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ বাবে সাজু হৈছে। অৱশ্যে মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু অন্যান্য পোহৰৰ সামগ্ৰী বজাৰসমূহত উপলব্ধ হৈছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি দায়বদ্ধ মানসিকতাৰে উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত তেওঁ কয় যে কালী পূজাই মানুহৰ মনৰ পৰা ভয় আৰু অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই অন্তৰ্নিহিত শক্তিক জাগ্ৰত কৰাৰ পাঠ দিয়ে। ৰাজ্যপালগৰাকীয়ে সহমৰ্মিতা, পাৰস্পৰিক সহানুভূতি আৰু সৌহাৰ্দ্য বজাই ৰাখি এই উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনায়। পোহৰৰ উৎসৱ দীপাৱলীয়ে নিৰাশাৰ বিপৰীতে সত্য, আশা আৰু পোহৰৰ জয় সাব্যস্ত কৰে বুলিও তেওঁ মত প্ৰকাশ কৰে।

গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিক্ৰেতাসকলে অস্থায়ী বিপণী মুকলি কৰি দীপাৱলীৰ বাবে চাকি, ফটকাকে ধৰি সামগ্ৰীসমূহ বিক্ৰী কৰিছে। মহানগৰীৰ বাসগৃহসমূহ আলোকমালাৰে সজাই তোলা হৈছে। বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ লগতে দল-সংগঠনে শব্দ, বায়ু প্ৰদূষণবিহীন দীপাৱলী উদযাপন কৰাৰ উদ্দেশ্যে আহ্বান জনাইছে। ৰাজ্যৰ প্ৰতিখন জিলাতে দীপাৱলী পালনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বৰপেটাত থলুৱা আতচবাজী বিক্ৰেতাসকলে প্ৰস্তুত কৰা আতচবাজী বজাৰত উপলব্ধ হৈছে।

উজনি অসমৰ গোলাঘাট জিলাৰ লগতে নগাঁও জিলাতো দীপাৱলী উপলক্ষে প্ৰস্তুতি চলিছে। জিলা দুখনৰ ৰাইজে এইবাৰ জাকজমকতা পৰিহাৰ কৰি আৰু পৰম্পৰা বৰ্তাই ৰাখি দীপাৱলী উদযাপন কৰিবলৈ সাজু হৈছে। নগাঁও জিলাৰ মৃৎ শিল্পীসকলে ৩০-৪০ হাজাৰকৈ মাটিৰ চাকি বিক্ৰী কৰিছে। এইবাৰ জিলাখনৰ জনসাধাৰণে মাটিৰ চাকিৰে বাসগৃহৰ চৌদিশ পোহৰোৱাৰ বাবে সাজু হৈছে। একেদৰে বিভিন্ন প্ৰান্তৰ কালী মন্দিৰসমূহত ধৰ্মীয় পৰম্পৰাৰে শ্ৰীশ্ৰী কালী পূজা সম্পন্ন কৰাৰ বাবে প্ৰস্তুতিও প্ৰায় সম্পূৰ্ণ হৈছে।

000000000

ৰে'লসেৱাক অধিক জনমুখী কৰি তোলাৰ লক্ষ্যৰে অসম ৰে'লযাত্ৰী সংস্থাৰ উদ্যোগত আজি গুৱাহাটীত অনুষ্ঠিত মুকলি আলোচনাত অসমৰ ৰে'লযাত্ৰীসকলে সন্মুখীন হোৱা সমস্যা সন্দৰ্ভত আলোচনা কৰা হয়। গুৱাহাটী জিলা পুঁথিভঁৰালৰ সমীপৰ সাহিত্য সভা ভৱন চৌহদৰ ৰাধা গোবিন্দ বৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত এই আলোচনাত ভালেসংখ্যক বক্তাই অসমত শীঘ্ৰেই বিদ্যুৎচালিত স্থানীয় ৰে'ল প্ৰৱৰ্তনৰ দাবী উত্থাপন কৰে। এই সভাত শিক্ষাবিদ, ব্যৱস্থাপনা ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি শান্তিকাম হাজৰিকা, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস, অসম নাট্য সন্মিলনৰ নৱনিৰ্বাচিত সভাপতি জিতেন শৰ্মা, অধিবক্তা নিবন্ধকাৰ কিশোৰ কুমাৰ কলিতা, জ্যেষ্ঠ সাংবাদিক মনি মহন্ত, ত্ৰিদিপ লহকৰ, সক্ৰিয় ৰাজহুৱা কৰ্মী নয়নজ্যোতি ভূঞা, উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন জনসম্পৰ্কৰক্ষী বিষয়া ৰবিন বৰা, নিবন্ধকাৰ চিকিৎসক ডাঃ নভনীল বৰুৱা, আম আদমী পাৰ্টীৰ ৰাজ্যিক সভাপতি ড০ ভৱেন চৌধুৰীৰ উপৰি কেইবাগৰাকীও অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰশাসনিক বিষয়া তথা

অসম ৰে'লযাত্ৰী সংস্থাৰ বিভিন্ন স্থানৰ প্ৰতিনিধিসকলে অংশ লয়। সভাত গৃহীত প্ৰস্তাৱ অনুযায়ী ৰাজ্যখনৰ জাতীয় সংগঠনসমূহৰ অসমৰ ৰে'লযাত্ৰীসকলৰ সমস্যা সন্দৰ্ভত স্থিতি সম্পৰ্কত জানিবলৈ সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাক কৰ্তৃত্ব দিয়া হয়। ৰাজনৈতিক সদিচ্ছা অবিহনে এই সমস্যাসমূহৰ সমাধান সম্ভৱ নহয় বুলি সভাই প্ৰকাশ কৰে। সভাই লগতে কোভিডৰ পূৰ্বৰ সময়ছোৱাত চলাচল কৰা ৰে'লসমূহৰ পুনৰ চলাচল কৰোৱা, উত্তৰ পূৰ্বাঞ্চলৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত উত্তৰ-পূব সীমান্ত ৰে'লৱেক পুনৰগঠন কৰাকে ধৰি কেইবাটাও দাবী কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ তথা ৰে'ল কৰ্তৃপক্ষলৈ প্ৰেৰণৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে। অনুষ্ঠানটোৰ সঞ্চালনা কৰে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০০০

কটন বিশ্ববিদ্যালয়ৰ কে বি আৰ প্ৰেক্ষাগৃহত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আজি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞাই সদৌ অসম ন্যায়াধীশ সন্থাৰ ৱেবছাইটটো উন্মোচন কৰে। এই উপলক্ষে ন্যায়াধীশগৰাকীয়ে ন্যায়িক পেছাদাৰিত্ব, শিষ্টাচাৰ আৰু ন্যায়িক বিষয়াৰ পৰা আশা শীৰ্ষক বক্তৃতা আগবঢ়ায়। শ্ৰীভূঞাই কয় যে আজি মুকলি কৰা ৱেবছাইটটোৱে সদৌ অসম ন্যায়াধীশ সন্থাৰ সদস্যসকলৰ মাজত উন্নত যোগাযোগৰ সুবিধা প্ৰদান কৰি ফলপ্ৰসূ মঞ্চ হিচাপে পৰিগণিত হ'ব। নিজৰ ভাষণত তেওঁ ন্যায় ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ আস্থা অক্ষুণ্ণ ৰাখিবলৈ ন্যায় ব্যৱস্থাটোৰ নিৰপেক্ষতা অটুট ৰখাৰ ওপৰত গুৰুত্ব দিয়ে। কোনো ধৰণৰ বাহ্যিক প্ৰভাৱৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ বিচাৰ প্ৰক্ৰিয়া পৰিচালিত হোৱাটো প্ৰয়োজন বুলি তেওঁ কয়। ন্যায়াধীশগৰাকীয়ে জিলাসমূহত সেৱা আগবঢ়োৱা ন্যায়িক বিষয়াসকলক কৰ্তব্য পালনৰ সময়ছোৱাত সাংবিধানিক স্থিতি অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। তেওঁ লগতে সকলো সময়তে আইনৰ মৰ্যাদা অটুট ৰাখিবলৈ তেওঁলোকক পৰামৰ্শ দিয়ে। এই অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰেও ভাষণ দিয়ে।

০০০০০০০০০

ভাৰতৰ তন্‌ভি শৰ্মা আজি গুৱাহাটীত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ছোৱালীৰ ফাইনেলত থাইলেণ্ডৰ অন্যাপট ফিছিতফোনৰ বিৰুদ্ধে পৰাজয় বৰণ কৰি ৰূপৰ পদক লাভ কৰিছে। তন্‌ভিয়ে ফাইনেলত ৭-১৫, ১২-১৫ গেমত পৰাজিত হয়। ১৬ বছৰীয়া তনভি বিশ্বৰ জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰা দেশৰ পঞ্চমগৰাকী খেলুৱৈ। ইয়াৰ পূৰ্বে অপৰ্ণা পোপটে ১৯৯৬, চাইনা নেহৱালে ২০০৬ আৰু ২০০৮, চিৰিল বাৰ্মাই ২০১৫ আৰু শংকৰ মুথুস্বামীয়ে ২০২২ চনত এই প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। উল্লেখযোগ্য যে ভাৰতে ইতিমধ্যে এই প্ৰতিযোগিতাৰ দলীয় শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত পাৰ্থত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আজি অষ্ট্ৰেলিয়াই ভাৰতক ৭ উইকেটত পৰাস্ত কৰে। বৰ্ষাবিঘ্নিত খেলখনত ডি এল এছ পদ্ধতিৰ সহায়ত অষ্ট্ৰেলিয়াই ২১ অভাৰ এটা বলত ১৩১ ৰানত বিজয় সাব্যস্ত কৰে। বৰষুণৰ বাবে খেলখন ২৬ অভাৰলৈ সীমিত কৰাত ভাৰতে প্ৰথমে বেট ধৰি ৯টা উইকেটৰ বিনিময়ত ১৩৬ ৰান সংগ্ৰহ কৰে। অধিনায়ক শুভমন গীল, ৰোহিত শৰ্মা আৰু বিৰাট কোহলি প্ৰথম ১০ অভাৰতে আউট হয়। প্ৰতিযোগিতাৰ দ্বিতীয়খন এদিনীয়া অহা ২৩ অক্টোবৰত এডিলেইডত অনুষ্ঠিত হ'ব।

০০০০০০০০০

**সমাপ্ত**